**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-07-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা গোলাঘাট জিলাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে আজি জিলাখনত উপস্থিত হ'ব। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে সৰুপথাৰৰ বিধায়ক বিশ্বজিত ফুকনে কালি সৰুপথাৰ সমজিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে চেৰাগুৰি ফিল্ডত হেলিপেডৰ স্থান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

oooooo

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - আই আই টি গুৱাহাটীৰ আজি ২৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠিত হ'ব। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযন্তা বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ড° ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকিব। আই আই টি গুৱাহাটীৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত হ'বলগীয়া সমাৱৰ্তনত এইবেলি মুঠ ২ হেজাৰ ৯৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হ'ব। আজিৰ সমাৱৰ্তনত ১০৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰী প্ৰদান কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড° শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪টা স্বৰ্ণ পদক প্ৰদান কৰা হ'ব।

oooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপৰি কেইবাগৰাকীও সাহিত্যিক আৰু সাংবাদিক উপস্থিত থকাৰ কথা।

প্ৰথম গুৱাহাটী শিশু মহোৎসৱৰ কালি তৃতীয় দিনাৰ কাৰ্যসূচী আৰতি হাজৰিকাৰ যোগাসন প্ৰশিক্ষণেৰে মুকলি কৰা হয়। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক ৰবিজিতা গগৈ, নাট্য শিল্পী, ৰাজীৱ কুমাৰ সাউদ আৰু সোনম দেৱীয়ে নাট কৰ্মশালাত প্ৰশিক্ষণ দিয়ে। বিশিষ্ট মুকাভিনয় শিল্পী মইনুল হকে

মুকাভিনয় আৰু দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকাই সুকুমাৰ কলাৰ কৰ্মশালাৰ সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। যশস্বী নৃত্য পৰিচালক কমল নাথ আৰু প্ৰিয়ংকা কাশ্যপে নৃত্য তথা ৰাজ আহমেদ আৰু দীপক দাসে সংগীতৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ দিয়ে। বিয়লি অনিলাভা চেটাৰ্জী পৰিচালিত **মেছি** নামৰ শিশু চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। এভাৰেষ্ট জয়ী প্ৰখ্যাত পৰ্বতাৰোহী তৰুণ শইকীয়াই চলচ্চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে। বিশিষ্ট সংগীত শিল্পী, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন বিষয়া অৱনী ৰঞ্জন পাঠকে সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে।

0000000

লখিমপুৰ জিলাৰ ৬৩৩ নম্বৰ বালিপুখুৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছদিনীয়া শিবিৰৰ কালি সামৰণি পৰে। যোৱা ৬ জুলাইত বিহপুৰীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ডং ৰাতুল বৰাৰ নেতৃত্বত এই শিবিৰ মুকলি কৰা হৈছিল। ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজৰ সামাজিক দায়বদ্ধতা, সামাজিক শৃংখলা আৰু সমাজ সেৱাৰ মনোভাৱেৰে গঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিভিন্ন কাৰ্যসূচীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত কেইবাটাও দিশত সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মাদক দ্ৰব্য সেৱনৰ বিৰুদ্ধে এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। শিবিৰত প্ৰতিটো সন্ধিয়া ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশৰ লক্ষ্যৰে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

0000000

সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতি আৰু সাংবাদিক কল্যাণ নিধিৰ উদ্যোগত যোৰহাটত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গোলকীয় উষ্ণতা বৃদ্ধি আৰু জৈৱ বৈচিত্ৰ্যলৈ ভাবুকি শীৰ্ষক এখন ৰাজ্যিক পৰ্যায়ত কৰ্মশালা অনুষ্ঠিত হৈছে। পদ্মশ্ৰী সন্মানেৰে বিভূষিত যাদৱ পায়েঙে কালি বন্তি প্ৰজ্বলনেৰে কৰ্মশালাখন উদ্বোধন কৰে। তেওঁ কয়, যে ব্যাপকহাৰত গছপুলি ৰোপণ কৰি বৰ্তমান বিশ্বৰ বাবে ভাবুকি হৈ পৰা গোলকীয় উষ্ণতা বৃদ্ধিৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাব পাৰি।

0000000

লখিমপুৰত প্ৰশাসনে কালি ৫৬৬ কিলোগ্ৰামৰো অধিক ভাং আৰু ৫৬ গ্ৰাম হেৰ'ইন জ্বলাই দিয়ে। লখিমপুৰৰ অতিৰিক্ত ন্যায়িক দণ্ডাধীশৰ উপস্থিতিত হাঁহচৰাত থকা আৰক্ষীৰ সংৰক্ষিত বনাঞ্চলত  এই নিষিদ্ধ দ্ৰব্যবোৰ জ্বলাই দিয়া হয়। জ্বলাই দিয়া ভাং আৰু হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় তিনি কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে।

0000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ সংৰক্ষিত অঞ্চলৰ সৌজন্যত ১০ জুলাইৰ পৰা কাজিৰঙাত সপ্তদশ সংখ্যক প্ৰকৃতি শিবিৰ মুকলি কৰা হৈছে। এই আৱাসিক শিবিৰত স্থানীয় বিদ্যালয়সমূহৰ শতাধিক শিক্ষাৰ্থীয়ে পক্ষী নিৰীক্ষণ আৰু প্ৰকৃতি অধ্যয়ন সন্দৰ্ভত প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

0000000

**সমাপ্ত**